Chapter in Books

Dr. Lipika Talikdar
Department of Assamese

1. 'DADIBURHA : ARANYAK JIVANAR CHANDAYITA GATHA', Published in 'PRAKASH', JUNE 2023; ISSN 2279-0683

2. 'UPANYASAT NARI CHARITRAR NABA-NIRMAN : ETI RUPREKHA' Published in 'UTTARAN UDAYAN' October 2024

3. 'SMRITI TAR SUGANDHI PAKHILA' Published in 'JATRAPATHAR PRITHABHUMI' JUNE, 2024; ISBN 978-93-93843-90-6

4. 'ASOMIYA GEETI SAHITYAT ALANKARAR BAIBHAV', Published in 'SWARNABH SMRITI' 30 MARCH 2025

5. 'SHIPANWESHI NATYAJATRAR SWAKSHAR : HANUMAN SAGAR BANDHA CHAU' Published in PRAKASH, February 2026, ISSN-22790683

6. 'UDBHAVKALIN ASOMIYA UPANYAS ARU NARIR AVASTHAN', Published in 'REFRAMING WOMANHOOD : DISCOURSES, IDENTITIES AND RESISTANCE', MAY 2026; ISBN 978-93-47586-30-9

ISSN 2279-0683

প্ৰকাশ

জুন, ২০২৩

সাহিত্য-শিল্পত

অধিবাস্তৱবাদ
আৰু যাদুবাস্তৱবাদ





কবিতা

২৪-৭৯

এম. কামাৰুদ্দিন আহমেদ
মৃদুল হালৈ
ৰীমান বৰ্মন
অশ্বাত্ত
ৰাজীৱ কুমাৰ ফুকন
কৌশিক ৰাসাস
ৰশ্মালী বৰগোহাঁই
ড° সৱ্যসাচী মহন্ত
নীলম গগৈ
মদাৰজ্যোতি
কল্যাণী বৰুৱা
পলাশ লহং

অনুবাদ কবিতা

ফার্ন হিল
কবি ঃ ডিলন্ থমাচ
অনুবাদ ঃ হিতেন শর্মা।। ৯০।।
অনন্ত জন্মৰ কথা
কবি ঃ বিশ্বনাথ প্রসাদ তিৱাৰী
অনুবাদ ঃ উৎপল দত্ত।। ৯১।।

আত্মকথা

কল্যাণ খৰমান
নগেন শইকীয়া।। ৫০।।

অনুবাদ প্রবন্ধ

আপুনি নৰৰে, আমিয়েই নৰৰে
ড° পৰমানন্দ মহন্ত।। ৪৮।।

গ্রন্থ সমালোচনা

দাদিবুঢ়া ঃ আৰণ্যক জীৱনৰ ছন্দায়িত গাথা
ড° লিপিকা তালুকদাৰ।। ৯২।।
বিষণ্ণতাৰ চাৰিটা দশক
ড° ৰণদ্বীপ বড়া।। ৯৬।।
ব্রহ্মপুত্র-বৰাক সভ্যতাৰ উৎস সন্ধান
ৰূপম বৰুৱা।। ৯৮।।
শিপাৰ সন্ধানত— ধল, জাঁজৰি আৰু কাউৰীখৰি
নীলাক্ষী দেৰী।। ১০০।।
তুংগভদ্রাৰ পাৰত ঃ এখন সুখপাঠ্য অনূদিত উপন্যাস
ড° মনালিছা বৰা ।। ১০৩।।

ব্যক্তিত্ব

প্রমথেশ বৰুৱা ঃ জীৱন আৰু কৃতি
পদ্মজা ৰাজখোৱা।। ৮৬।।



*প্রকাশ*লৈ সকলো ধৰণৰ লেখা পঠিওৱাৰ ঠিকনা ঃ

সম্পাদক/ ফোন-৯৩৬৫০৩৪৫৬৫, প্রকাশ, অসম প্রকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী-২১
email : prakash.editor21@gmail.com

অ-মনোনীত লেখা ওভতাই দিয়া নহয়। নিজৰ লগত প্রতিলিপি ৰাখিহে *প্রকাশ*লৈ লেখা পঠিয়াব।

ঘোষণা

পৰিবেশক ▶ প্রণৱজ্যোতি চহৰীয়া
ফোন-৯৮৬৪৪-০১২৪৭

প্রত্যেক লেখককে লেখাৰ লগত তেওঁৰ সম্পূর্ণ ডাক-ঠিকনা আৰু বেংকৰ একাউণ্ট নম্বৰ, আই এফ এছ চি কোড নম্বৰ আৰু ব্রাঞ্চৰ নাম উল্লেখ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।



দাদিবুঢ়া ঃ আৰণ্যক জীৱনৰ ছন্দায়িত গাথা

লিপিকা তালুকদাৰ

ভাৰতবৰ্ষ বহু বৰ্ণিল আৰু বৈচিত্র্যপূৰ্ণ জনগোষ্ঠীৰ আৱাসস্থল। যুগ যুগ ধৰি এই জনগোষ্ঠীসমূহে এই ভূখণ্ডৰ প্ৰত্যন্ত অঞ্চল, পাহাৰ-পৰ্বত, সমভূমি আদিত বসবাস কৰি স্বকীয় জীৱনশৈলীৰে 'প্ৰকৃতি-মিত্ৰ' মানৱগোষ্ঠী হিচাপে জীৱন ধাৰণ কৰি আহিছে। তেওঁলোকৰ উৎসৱ-অনুষ্ঠান, সংগীত-নৃত্য, ৰীতি-নীতি, বিশ্বাস, শিল্পকলা আদি সুসমৃদ্ধ পৰম্পৰাৰে উজ্জীৱিত। তথাপি তেওঁলোকৰ প্ৰতি নৃতাত্ত্বিক, সাহিত্যিক অথবা প্ৰশাসনৰ যথোপযুক্ত মনোযোগৰ অভাৱ বিংশ শতিকাৰ দ্বিতীয়াৰ্ধতো দেখা গৈছিল। ভাৰতীয় আদিবাসী মানুহৰ ইতিহাসকাৰ, নৃতত্ত্বৰ ৰোমাণ্টিক ব্যক্তিত্ব ব্ৰিটিছমূলীয় নৃতাত্ত্বিক ভেৰিয়াৰ এল্ৱিন (Verrier Elwin)-এ এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰি এই জনগোষ্ঠীসমূহৰ প্ৰতি যথোপযুক্ত মনোযোগ দিয়াৰ দাবী উত্থাপন কৰিছিল। (মহাশ্বেতা দেৱী সংকলিত তথা সম্পাদিত *ভেৰিয়াৰ এল্ৱিন নিৰ্বাচিত ৰচনা* শীৰ্ষক গ্ৰন্থ দ্ৰষ্টব্য) অৱশ্যে তেওঁ এই দাবী তেওঁলোকৰ জীৱনচৰ্যা অধ্যয়ন আৰু উত্তৰণৰ বাবে কৰিছিল।

ভাৰতীয় আধুনিক সাহিত্যত পোনতে জনগোষ্ঠীয় জীৱনৰ প্ৰকাশ তেনেই নগণ্য আছিল। দুই-এজন গৱেষক বা সাহিত্যিকে জনগোষ্ঠীয় লোকসাহিত্যৰ সংগ্ৰহ বা ভাষাৰ জৰীপ জাতীয় কাম কৰিছিল যদিও জনগোষ্ঠীয় জীৱন সৃজনাত্মক সাহিত্যৰ বিষয় হিচাপে অন্তৰ্ভুক্ত পলমকৈ হৈছিল। এই নিবন্ধত ভাৰতীয় উপন্যাসত (১৯০০-১৯৭০লৈ) জনগোষ্ঠীয় জীৱন কেনেদৰে প্ৰকাশিত হৈছে তাৰ চমু ৰূপৰেখা তুলি ধৰি উড়িয়া সাহিত্যিক গোপীনাথ মহান্তিৰ *দাদিবুঢ়া* নামৰ উপন্যাসখনৰ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰাই ভাৰতীয় উপন্যাসৰ ৰূপ-ৰীতিৰ এক পৰিৱৰ্তন পৰিলক্ষিত হয়। বিশেষকৈ তৃতীয়, চতুৰ্থ দশকত এই পৰিৱৰ্তন অধিক স্পষ্ট ৰূপত দেখা যায়। এই সময়ছোৱাত নতুন দৃষ্টি আৰু মনোভংগীৰে সাহিত্যিকসকলে গ্ৰাম্য আৰু জনগোষ্ঠীয় জীৱনক উপন্যাসত তুলি ধৰাৰ প্ৰয়াস কৰিছিল। গোষ্ঠীবদ্ধ জীৱনক নব্য দৃষ্টিৰে বিচাৰ-বিশ্লেষণ কৰি চোৱাৰ প্ৰৱণতাই জনগোষ্ঠীয় জীৱনকেন্দ্ৰিক উপন্যাস ৰচনাৰ ক্ষেত্ৰত সাৰ-পানী যোগালে। ইয়াৰ কাৰণ অনুসন্ধান কৰিলে নিম্নলিখিত কথাবোৰ দৃষ্টিগোচৰ হয়।

(১) বিংশ শতিকাৰ তৃতীয়, চতুৰ্থ দশকতে ভাৰতৰ স্বাধীনতা আন্দোলন ভৰপক হৈ পৰিছিল। এই আন্দোলনৰ প্ৰভাৱৰ পৰা এটা ক্ষুদ্ৰ অঞ্চলো বাদ পৰি যোৱা নাছিল। কৃষক, শ্ৰমিকৰ পৰা আৰম্ভ কৰি তথাকথিত নিম্নবৰ্গীয় জনগোষ্ঠীয় লোকসকলে জানি-বুজিয়েই হওক বা আৱেগবশতই হওক অংশগ্ৰহণ কৰিছিল। গতিকে, ভাৰতীয় সাহিত্যিকসকলে জাতীয় জীৱন আৰু গণচেতনাৰ উন্মেষ তথা বিকাশক সূক্ষ্ম ৰূপত পৰ্যবেক্ষণ কৰাৰ সুযোগ পাইছিল। জাতীয় জীৱন আৰু গণচেতনাৰ এই বিকাশে সাহিত্যিকসকলৰ মনোযোগ এনেদৰে আকৰ্ষণ কৰিছিল যে তেওঁলোকে ৰোমাঞ্চ বা পূৰ্বৰ ৰজা-মহাৰজাৰ যুদ্ধকেন্দ্ৰিক ঐতিহাসিক বিষয়ৰ পৰা আঁতৰি আহি গ্ৰাম্য আৰু জনগোষ্ঠীয় জীৱনচৰ্যাৰ প্ৰকাশতহে অধিক গুৰুত্ব প্ৰদান কৰিলে। ফলত ভাৰতীয় উপন্যাসত জনগোষ্ঠীয় জীৱনৰ স্বচ্ছন্দৰ আগমন ঘটিল। এইখিনিতে স্মৰ্তব্য যে ভাৰতীয় উপন্যাসৰ শুভাৰম্ভণি ঘটিছিল ঐতিহাসিক উপন্যাসেৰে।

(২) প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ মধ্যৱৰ্তী সময়খিনিত দুৰ্ভিক্ষ, মহামাৰী আদিৰ দৰে ঘটনাই বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। মহাৰাষ্ট্ৰ, গুজৰাট, ওড়িষ্যা আদিত হোৱা দুৰ্ভিক্ষত মানুহৰ জীৱন কেনেদৰে বিপদাপন্ন হৈছিল তাক চাক্ষুষভাৱেই ভাৰতীয় সাহিত্যিকসকলে প্ৰত্যক্ষ কৰিছিল। মহামাৰীত একো একোখন গাঁও অথবা একো একোটা জনগোষ্ঠীয় আৱাস অঞ্চল নিঃশেষ হৈ যোৱাটো আছিল সাধাৰণ যেন লগা অতি সংবেদনশীল ঘটনা। মহামাৰী অথবা দুৰ্ভিক্ষপীড়িত মানুহৰ দুখ-দুৰ্গতিয়ে সাহিত্যিকসকলৰ চেতনা আলোড়িত কৰিছিল আৰু সাহিত্যৰ মাজেৰে সেই কথা প্ৰকাশ কৰিছিল। এহ ক্ষেত্ৰত তেওঁলোকে গ্ৰাম্য তথা জনগোষ্ঠীয় জীৱনকে নিৰ্বাচন কৰি লোৱাত ভাৰতীয় উপন্যাসত জনগোষ্ঠীয় জীৱনে বিশেষ স্থান লাভ কৰিলে।

(৩) দুই মহাযুদ্ধৰ মধ্যৱৰ্তী সময়খিনিত ভাৰতবৰ্ষৰ গ্ৰাম্য জীৱনত এক ভাঙোন আৰম্ভ হৈছিল। বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ফলত শিল্পোদ্যোগকেন্দ্ৰিক চহৰ গঢ়ি উঠিবলৈ ধৰিলে। সংহতিত আৰু

উদয়ন

২০২৪

বার্ষিক মুখপত্র
উদয়ন সংঘ, পাঠশালা



সম্পাদক
জিণ্টুল তালুকদাৰ

উদয়ন
বার্ষিক মুখপত্র, উদয়ন সংঘ, পাঠশালা
২০২৪

সূচীপত্র

- উদয়ন সংঘৰ ইতিবৃত্ত — সম্পাদনা সমিতি /১
- উদয়ন বঁটাসাধনা আৰু সেৱাৰ স্বীকৃতি জ্ঞাপক স্মাৰক — ✍ৰুবুল কুমাৰ শর্মা/১৩
- সামাজিক বিৱর্তন আৰু সাহিত্যৰ ভৱিষ্যত — ✍ দীপক কাকতি/১৫
- সামাজিক পৰিৱর্তনৰ অর্থ আৰু প্রকৃতি — ✍ড° মুকুন্দ শর্মা/১৭
- সত্যানুসন্ধান — ✍ অসীম দাস/১৯
- ভুৱা বিনিয়োগ আৰু বিত্তীয় সাক্ষৰতা — ✍ড°দেৱজিৎ মহন্ত/২০
- আপুনি কিতাপ কিয় পঢ়িব ? — ✍ প্রদীপ শর্মা /২২
- পৃথিৱীৰ প্রেক্ষাপটত শিল্পকলাৰ নৱজাগৰণ যুগ ঃ আংশিক আলোকপাত — ✍ লক্ষ্মী দাস/২৫
- শিশুক মানসিক চাপৰ পৰা ৰক্ষা কৰো আহক — ✍ নাচিৰ উদ্দিন/২৭
- শিক্ষা আৰু জীৱনবোধ — ✍ প্রদীপ কলিতা/৩১
- আশা ঃ এক অর্থবহ সংগীত, এক সুৰৰ মূর্চ্ছনা — ✍ডাঃ নৱজ্যোতি শর্মা/৩৩
- সমাজৰ উত্তৰণত সামাজিক অনুষ্ঠান- পুথিভঁৰাল, সংঘ, ক্লাৰ — ✍ শৰৎ চন্দ্র তালুকদাৰ/৩৫
- চৰিত্র গঠনত বেচৰকাৰী সামাজিক অনুষ্ঠানৰ ভূমিকা — ✍ যজ্ঞেশ্বৰ কাকতি/৩৭
- বজালীৰ অপেছাদাৰী নাট্যগোষ্ঠী আৰু নাটক — ✍ ড° হিৰুমনি কলিতা/৩৯
- উপন্যাসত নাৰী চৰিত্রৰ নৱ নির্মাণ ঃ এটি ৰূপৰেখা — ✍ড° লিপিকা তালুকদাৰ/৪২
- বজালী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ ইতিহাসৰ ৰেঙণি — ✍কিশোৰ কুমাৰ দাস/৪৭
- শৈক্ষিক, সামাজিক দায়িত্বত শিক্ষক — ✍নন্দ দুলাল চৌধুৰী/৫২
- কামৰূপী লোকগীতৰ নেপথ্যত মধ্যযুগৰ কবি-গীতিকাৰ — ✍তুতুল মানৰ/৫৪
- গ্রন্থ আৰু গ্রন্থৰ মহৎ — ✍ ৰেখা কাকতি/৫৯
- অসমৰ সর্বপ্রথম নাট্যানুষ্ঠান "চিহ্নযাত্রা" — ✍গিৰীন্দ্র পাটগিৰী/৬০
- আহক, আমি হাৰি যাওঁ — ✍হীৰকজ্যোতি তালুকদাৰ/৬২
- উদয়ন সংঘ আৰু ভাইটিদা — ✍ৰাণা ডেকা/৬৪
- যোগ ঃ মনোবিকাৰৰ পৰা মুক্তিলৈ — ✍খনিন ৰয়/৬৫
- কৃষকৰ আশাৰ কঠিয়াতলী 'পথাৰ' — ✍ হীৰা দেৱী/৬৭
- দেশ জাতিৰ ভৱিষ্যত নৱ-প্রজন্ম কোন দিশে ধাৱমান — ✍ৰুমী দত্ত/৭০
- অভিভাৱকৰ দায়িত্ব আৰু যুৱ প্রজন্ম — ✍ ভাস্কৰ কলিতা/৭৩
- উদয়ন সংঘ ঃ মোৰ অনুভৱ — ✍চিত্তৰঞ্জন পাটগিৰি/৭৫
- মোৰ মনৰ অনুভৱত উদয়ন সংঘ — ✍ প্রমোদ কাকতি/৭৫

উপন্যাসত নাৰী চৰিত্ৰৰ নৱ নিৰ্মাণ ঃ এটি ৰূপৰেখা

ড° লিপিকা তালুকদাৰ

সৃজনশীলতা বা Creativity মানৱ সভ্যতাৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা এটা বিষয়। মানুহৰ সৃজনশীলতা সাহিত্য, শিল্প, স্থাপত্য, ভাস্কর্য আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত পৰিস্ফুট হয়। কল্পনা, বোধ, সংস্কাৰ, অনুভৱ আদিয়ে সৃজনশীলতাক ভিন্ন ৰূপত তুলি ধৰে। সকলো সৃজনশীল ব্যক্তিৰে এটা মানসিক অন্তর্যাত্রা থাকে। এই অন্তর্যাত্রাক বাংময় ৰূপত তুলি ধৰিলে সি সাহিত্য নাম পায়।

নৱ নৱ চিন্তাৰ আলোকে সৃজনশীল ব্যক্তিক সর্বদা আলোড়িত কৰে বাবেই সৃজনশীল সাহিত্যৰো নানা শাখা-প্রশাখাৰ সৃষ্টি হয়। সমাজব্যৱস্থাৰ পৰিৱর্তনশীলতাৰো এইক্ষেত্ৰত এক বিশেষ ভূমিকা আছে। অসমীয়া গল্প, উপন্যাসে লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত জন্মলাভ কৰাৰ পৰা আজিলৈকে এক দীঘলীয়া সময়ৰ পৰিক্রমা পাৰ কৰিছে। এই পৰিক্রমাত গল্প, উপন্যাসৰ বিষয়বস্তু, আংগিক আদিৰ চকুত লগা পৰিৱর্তনো দেখা গৈছে। নতুন নতুন বিষয়বস্তুৰ অন্বেষণ আৰু উপস্থাপনে এনে ৰূপান্তৰ সম্ভৱ কৰি তুলিছে। তথাপি আজিও বহু বিষয় স্পর্শহীন হৈয়ে পৰি আছে। গল্প, উপন্যাসৰ নব্যধাৰাৰ আলোচনা কৰিবলৈ গ'লে প্রথমেই মনলৈ আহে পাশ্চাত্য সাহিত্য সমালোচনাই সৃষ্টি কৰা তত্ত্ববোৰৰ কথা। এনে বহু তত্ত্বৰ আলোকত অসমীয়া গল্প, উপন্যাসৰ বিচাৰ-বিশ্লেষণ কৰি চাব পাৰি। কিন্তু এইখিনিতে প্রসংগক্রমে ক'ব লাগিব যে পাশ্চাত্যত কোনো এটা সাহিত্য ধাৰা স্তিমিত হৈ যোৱাৰ পাছতহে অসমীয়া সাহিত্যত তাৰ প্রকাশ বা সৃষ্টি হ'বলৈ ধৰে। অন্য তত্ত্বলৈ নগৈ আমি ৰমন্যাসবাদৰ কথাই ক'ব পাৰো। পাশ্চাত্য সাহিত্যত ৰমন্যাসবাদ শেষ হোৱাৰ প্রায় পঞ্চাছ বছৰ পাছতহে বাংলা সাহিত্যৰ মাজেৰে অসমীয়া সাহিত্যত ৰমন্যাসবাদ আৰম্ভ হৈছিল। উপন্যাসৰ ৰূপান্তৰ আৰু বিকাশৰ ধাৰাটো পর্যালোচনা কৰিলে দুটামান তত্ত্বৰ কথা মনলৈ আহে। তাৰ ভিতৰত নৱ নির্মাণ তত্ত্ব উল্লেখযোগ্য।

কোনো পৌৰাণিক বা ঐতিহাসিক চৰিত্র বা কাহিনীক গল্পকাৰ বা ঔপন্যাসিকে নতুন ধৰণে উপস্থাপন কৰিলে তাক নৱ নির্মাণ বুলি কোৱা হয়। অৱশ্যে নৱ নির্মাণ আৰু পুনৰ নির্মাণ একে নহয়। কোনো পুৰাণ বা ইতিহাসত থকা কোনো চৰিত্রক পুৰাণ বা ইতিহাসত থকাৰ দৰেই যদি সাহিত্যত উপস্থাপন কৰা হয় তেন্তে তাক পুনৰ নির্মাণ বুলি কোৱা হয়। পুনৰ নির্মাণত ভাষাটো বেলেগ হোৱাৰ বাহিৰে অন্য পৰিৱর্তন দেখা নাযায়। কিন্তু নৱ নির্মাণ হ'ল কোনো পৌৰাণিক বা ঐতিহাসিক চৰিত্র বা কাহিনীৰ নব্য দৃষ্টিৰে কৰা উপস্থাপন। এনে উপস্থাপনত গল্পকাৰ বা ঔপন্যাসিকৰ স্বকীয় দৃষ্টিভংগী সামাজিক, সাংস্কৃতিক অথবা ৰাজনৈতিক প্রেক্ষাপটত তুলি ধৰা হয়। ভাৰতীয় উপন্যাস সাহিত্যত ১৯৫৯ চনত মাৰাঠী ঔপন্যাসিক ভি. এস. খণ্ডেকৰে 'যযাতি' নামৰ উপন্যাসখনত প্রথমে নৱ নির্মাণৰ ধাৰণা আনিছে। এই উপন্যাসখনত মহাভাৰতৰ বিখ্যাত চৰিত্র যযাতিৰ জীৱনক নৈতিকতা, মূল্যবোধ, আধ্যাত্মিকতাবাদ, বস্তুবাদ আদি বিবিধ প্রসংগৰ পৰিপ্রেক্ষিতত বিচাৰ-বিশ্লেষণ কৰি চোৱা হৈছে। ইয়াত যযাতি জীৱনৰ নানান দিশৰ প্রতিনিধি। বিশেষকৈ বস্তুগত আনন্দৰ বাবে পুত্র, পুৰুষৰ পৰা যৌৱন গ্রহণ কৰা কথাটোক বস্তুগত আনন্দ অন্বেষণ বা বস্তুগত দর্শন হিচাপে বিশ্লেষণ কৰা হৈছে। দেৱযানী চৰিত্রটো অত্যধিক গর্ব আৰু ক্ষমতা আকাংক্ষাৰ প্রতীক হৈ উঠিছে, যি আধুনিক মানুহৰ জীৱনৰ ক্ষেত্রত প্রযোজ্য। তাতেই আকৌ শর্মিষ্ঠাৰ দৰে নিঃস্বার্থ ভালপোৱা, মংগলকামী মনোভাৱৰ চৰিত্রক সমাজ জীৱনৰ শুভবোধৰ প্রতীক ৰূপত অংকন কৰা হৈছে। এইখিনিলৈকে মহাভাৰতৰ চৰিত্রৰ দৰেই চৰিত্রবোৰৰ উপস্থাপন কৰা গৈছে। কিন্তু ঔপন্যাসিকগৰাকীয়ে তাৰ মাজতেই সমাজ ৰাজনৈতিক প্রেক্ষাপটত আধুনিক মানুহৰ জীৱনৰ কিছু প্রশ্ন উত্থাপন কৰিছে। কেনেভাৱে পৰিপূর্ণ জীৱনৰ সংজ্ঞা দিব পাৰি, নৈতিকতা-অনৈতিকতা সীমাৰেখা কোনখিনিত,

- " মৃত্যুৰে দখীচি হ'ব নালাগে
  জীয়াই থাকিও দধীচি

  তোমাৰ মগজু
  চিন্তা-ভাবনা
  হাতুৰীৰে কোবাই কাঢ়ি লৈছোঁ;

  তোমাৰ প্ৰতিটো দিন
  প্ৰতিটো ৰাতি
  প্ৰতিটো মুহূৰ্ত
  আমাকেই দান কৰিলা।"

(যাত্ৰাপথৰ পৃষ্ঠভূমি - পৃঃ ১৪৮)

- "নিষ্ঠা থাকিলে যিকোনো পৰিস্থিতিতে মিলি ছাত্ৰ, শিক্ষক, অধ্যক্ষ আৰু অভিভাৱকৰ সমন্বয়ত চৰকাৰী শিক্ষানুষ্ঠানতো সুস্থ শৈক্ষিক আন্দোলন গঢ়ি সফল হ'ব পাৰি, তাৰ নিদৰ্শন 'যাত্ৰাপথৰ পৃষ্ঠভূমি'। গ্ৰন্থখন ব্যক্তিনিষ্ঠ নহৈ বস্তুনিষ্ঠ পৰ্যায়লৈ ৰূপান্তৰিত হৈছে বুলি আমাৰ অনুভৱ।"

(যাত্ৰাপথৰ পৃষ্ঠভূমি - পৃঃ ০২)

ISBN: 978-93-93843-90-6
9 789393 843906

যাত্রাপথৰ পৃষ্ঠভূমি

অনুভৱ সংকলন

- ডেকা ছাৰ — মঞ্জুশ্রী কলিতা — ১৫৫
- আমাৰ মৰমৰ 'ডেকা খুৰা' — ৰূপালীম কলিতা — ১৫৭
- 'তেওঁৰ বাবেই নাম ভর্তি কৰিছিল' — বর্ণালী কলিতা — ১৫৯

এম. এন. চি. বালিকা মহাবিদ্যালয় প্রাঙ্গণ ঃ

- কর্মই যাৰ উৎসৱ ঃ ড° উৎসৱ চন্দ্র ডেকা — ড° লীনা ডেকা — ১৬৩
- অসমীয়া বিভাগ, ডেকা ছাৰ আৰু সজীৱ অনুভৱ — ড° মণিমা ভূঞা — ১৬৭
- মোৰ সহকর্মী ড° উৎসৱ চন্দ্র ডেকা ছাৰ — ড° অনিমা দত্ত — ১৭০
- স্মৃতি তাৰ সুগন্ধি পখিলা — ড° লিপিকা তালুকদাৰ — ১৭৩
- শ্রদ্ধাৰ শিক্ষাগুৰু ড° উৎসৱ চন্দ্র ডেকা ঃ অনুভৱৰ জোলোঙাৰে — ড° অনুৰাধা শর্মা — ১৮০
- উৎসাহ-উদ্দীপনাৰ অমিয় আঁকৰ ড° উৎসৱ চন্দ্র ডেকা ছাৰ — ড° ৰশ্মি জৈন — ১৮৫
- আলোকপথ যাত্রী — ড° জাহ্নৱী ডেকা — ১৮৮
- শ্রদ্ধাৰ শিক্ষাগুৰু গৰাকীৰ সান্নিধ্যত — ড° নৱনীতা কলিতা — ১৯৩
- আলোকৰ সন্ধান দিয়া মোৰ চিৰ পূজ্য গুৰু — ড° হীৰামণি তালুকদাৰ — ১৯৭
- সফলতাৰ পাঠ পঢ়ুওৱা এগৰাকী শিক্ষা গুৰুৰ সান্নিধ্যত — ড° দীপামণি হালৈ মহন্ত — ২০২
- উৎসৱ চন্দ্র ডেকা ছাৰ ঃ কিয় অনন্য — জুৰি বর্মন — ২০৭
- অনুপ্রেৰণাৰ অক্ষয় উৎস ড° উৎসৱ চন্দ্র ডেকা ছাৰ — ড° নীলম জৈন — ২০৯
- বর্ণিল ব্যক্তিত্বৰ অধিকাৰী এগৰাকী ছাৰৰ বিষয়ে দুষাৰ — মামনি বেগম — ২১২
- উপনিষদীয় যুগৰ গুৰু — পাঞ্চালী শর্মা — ২১৫
- গুৰু দক্ষিণা — ৰুণু ভূঞা — ২১৮
- স্মৃতিৰ সুবাস — চন্দ্রমা দাস — ২২১
- ছাৰৰ সান্নিধ্য ঃ মোৰ অনুভৱ — ড° শুভশ্রী কলিতা তালুকদাৰ — ২২৫
- ভক্তি অঞ্জলি — ড° মীৰা বৈশ্য — ২২৯
- এগৰাকী আপোনা ছাৰ — ড° ব্যঞ্জনা চক্রৱর্ত্তী — ২৩৩
- এগৰাকী মহানুভৱ ব্যক্তি — ড° ডালিমা কাকতি — ২৩৭
- শ্রেণী কোঠাৰ পৰা সম্ভাৱনাৰ পোহৰলৈ — ড° হীৰামণি হালৈ — ২৪০

স্মৃতি তাৰ সুগন্ধি পখিলা

ড° লিপিকা তালুকদাৰ

মনৰ নিজানত সংগোপনে
পাহ মেলি ফুলে
এজাক পোহৰ
টগবগ টগবগ।

মোৰ জীৱনৰ যিবোৰ কথা অন্তৰবো অন্তৰত নিজানে-নিতালে পৰি আছে তাৰ ভিতৰত অন্যতম হ'ল মহেন্দ্ৰ নাৰায়ণ চৌধুৰী মহাবিদ্যালয়ত পঢ়ি থকা সময়ৰ কথাবোৰ। নৈমিত্তিক সকলো ব্যস্ততাৰ মাজতো অকলে কটাবলৈ পোৱা সময়খিনিত অতীতলৈ উভতি চালেই সেই সময়ৰ স্মৃতিবোৰ এচেৰেঙা ৰ'দ অথবা এজাক পোহৰ হৈ মনটো ভৰাই তোলে। ১৯৯২ চনৰ পৰা ১৯৯৫ চনলৈ তিনি বছৰকাল মই এইখন মহাবিদ্যালয়ত পঢ়িছিলোঁ। এই তিনিটা বছৰৰ যাত্ৰা মোৰ বাবে বিচিত্ৰ অভিজ্ঞতাৰে পূৰ্ণ এক উমাল বৰ্ণময় যাত্ৰা। যিসকল ব্যক্তি, শিক্ষকৰ অভিভাৱকত্বৰ মৰম সনা সান্নিধ্য আৰু মোৰ ওপৰত ৰখা আস্থাই এই যাত্ৰাক উমাল কৰি তুলিছিল । তেওঁলোকৰ ভিতৰত অন্যতম হ'ল মহাবিদ্যালয়খনৰ অধ্যক্ষ মুৰাৰি মোহন দত্ত ছাৰ আৰু অসমীয়া বিভাগৰ অধ্যাপক ড° উৎসৱ চন্দ্ৰ ডেকা ছাৰ।

মই ড° উৎসৱ চন্দ্ৰ ডেকা ছাৰক লগ পোৱা আৰু মহেন্দ্ৰ নাৰায়ণ চৌধুৰী মহাবিদ্যালয়ত পঢ়িবলৈ যোৱাৰ অন্তৰালতো কিছু কথা আছে। সেই সময়ত মহাবিদ্যালয়খনে নলবাৰী অঞ্চলটোত নাৰী শিক্ষা অগ্ৰগতিৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ দিছে যদিও আজিৰ দৰে খ্যাতিমান আৰু নাম-যশেৰে উপচি পৰা নাছিল। কিন্তু মহাবিদ্যালয়খনক বিদ্যায়তনিক ক্ষেত্ৰত উচ্চ, নতুন আৰু ভিন্ন মাত্ৰা দিয়াৰ বাবে বদ্ধপৰিকৰ এচাম শিক্ষক অধ্যক্ষ দত্ত ছাৰৰ নেতৃত্বত সংগঠিত হৈ পৰিকল্পিতভাবে

'আৰু দাঁতিচহৰীৰ দুপৰীয়া এটাত এদিন' মূলতঃ কবি জয়ন্ত কুমাৰ মাস্তাৰ শিপান্বেষী অন্তর্যাত্রাৰ কাব্যৰূপ। এই অন্তর্যাত্রাৰ পৰিমণ্ডলত আছে প্রকৃতিৰ মাজত বসবাস কৰা কৃষিজীৱী সৰল আৰু অকৃত্রিম মনৰ মানুহৰ সমষ্টিগত লোকজীৱনৰ কথা। সহজ শব্দমালাৰে তেওঁ 'মানুহ যোৱা বাট'ৰ অর্থঘন ব্যঞ্জনা সৃষ্টি কৰি চিৰন্তন মানৱতাৰ ইংগিত দিছে। 'মানুহ যোৱা বাটটো'ৰেই তেওঁৰ কবিতাৰো বাট। এই বাটেৰেই তেওঁৰ কবিতালৈ আহিছে তিৰা লিবিংৰাও, লালি লাই হিলালি গোৱা ছোৱালীজাক আৰু তেনে বহু প্রিয়জনৰ সুদীর্ঘ সমদল।

সংকলনখনৰ কবিতাবোৰক কেবাটাও আধুনিক তত্ত্বৰ আলমত বিচাৰ কৰি চোৱাৰ অৱকাশ আছে। সম্প্রতি পাৰিপার্শ্বিক সংবেদনশীল সাহিত্য (যাক সেউজ অধ্যয়ন বুলিও জনা যায়) হিচাপে সাহিত্যক বিশ্লেষণ কৰাৰ যি তত্ত্ব বিদ্যমান, তাৰ আধাৰত এই সংকলনখন এখন উল্লেখযোগ্য পাৰিপার্শ্বিক সংবেদনশীল কাব্যগ্রন্থ বুলি ক'ব পৰা যায়। আনহাতে নৃতাত্ত্বিক দৃষ্টিকোণেৰে লক্ষ্য কৰিলে বিশেষ এটা জনগোষ্ঠীৰ জীৱন-গাথাৰ কাব্যিক ৰূপায়ণ হিচাপেও ইয়াৰ গুৰুত্ব আৰু প্রাসংগিকতা লক্ষ্যনীয়।

সংকলনখনৰ কবিতাবোৰ পঢ়াৰ পিছতেই মনৰ চকুত ভাহি উঠে এটি সেউজ উপত্যকা। নৈ, জান-জুৰি, হৰিৎ বর্ণৰ পাহাৰ আৰু চৰাইৰ কাকলিৰে মুখৰিত সেই উপত্যকা যেন এক প্রশান্ত ভূমি, যি ঠাইত মাটিয়ে সভ্যতা গঢ়ে (কংক্রিটে নহয়), প্রেমে পৃথিৱী গঢ়ে (বিত্তৰ প্রাচুর্যই নহয়), প্রকৃতিয়ে গঢ় দিয়ে আপোনভোলা মানুহৰ জীৱনক। তেনে এখন ভূমিৰ স্বৰূপ উদঘাটন আৰু শিপা সন্ধানৰ প্রয়াস কবিতা সংকলনখনৰ মূল সুৰ হৈ উঠিছে।

ডঃ লিপিকা তালুকদাৰ

শব্দ-কল্প-সাহিত্য গোষ্ঠী
আমচৈ, নগাঁও (অসম)
9 789334 152364
MRP Rs 160

জয়ন্ত কুমাৰ মাস্তা

আৰু দাঁতিচহৰীৰ দুপৰীয়া এটাত এদিন



'আৰু দাঁতিচহৰীৰ দুপৰীয়া এটাত এদিন'
শিপান্বেষী অন্তর্যাত্রাৰ কাব্যৰূপ

ড° লিপিকা তালুকদাৰ

১

পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰে আছে নীৰৱ, অনুভূতিঘন এক গম্ভীৰ অন্তর্যাত্রা। এই অন্তর্যাত্রাক বাগার্থৰ সহায়ত বাংময় ৰূপ দি কাব্য নির্মাণ কৰাটো সহজ কাম নহয়। যিসকলে যথার্থ শব্দেৰে সেই অনুভূতিঘন অভিজ্ঞতা তথা মনৰ অৱস্থিতিক তুলি ধৰিব পাৰে তেওঁলোকেই সৃষ্টিশীল ব্যক্তি, তেওঁলোকেই কবি। কবিতা সৃষ্টিৰ উৎস আবেগ-অনুভূতি হ'লেও, আবেগক তুলি ধৰা হয় শব্দেৰে। এই শব্দ নির্বাচন আৰু তাৰ বিন্যাসৰ বাবে সংবেদনশীল অনুভৱী ব্যক্তিকো লাগে অনুশীলন। এই অনুশীলনক সাধনালৈ পৰিণত কৰিব পৰাতেই কবিৰ সার্থকতা।

জয়ন্ত কুমাৰ মাস্তাই 'আৰু দাঁতিচহৰীৰ দুপৰীয়া এটাত এদিন' নামৰ কবিতা সংকলনখনৰ বাটচ'ৰাত লিখিছে, 'এৰা-ধৰাকৈ আখৰ আখৰ খেলাত লাগি থকা আজি দুকুৰি পাঁচ বছৰ কালৰো অধিক হ'লহি।' দুকুৰি পাঁচ বছৰৰো অধিক কাল আখৰ আখৰ খেলাৰ মাজেৰে কবিতা নির্মাণত ব্রতী হৈ থকা কবিগৰাকীৰ কেৰাখনো কবিতা সংকলন প্রকাশ পাইছে। সেইকেইখন হ'ল সুগভীৰ শিপাৰ নিশ্বাস (২০০২), দেশ-কাল-ভৱিষ্যৎ (২০২২), আহোঁতে তেওঁ বাঘৰ ছাল এখন পিন্ধি আহিছিল (২০২৩) আৰু কন্ধৰ দেশৰ মহাকাব্য (২০২৪)। আলোচ্য কবিতা সংকলনখন তেওঁৰ শেহতীয়া প্রকাশ। ইতিমধ্যে প্রকাশিত কবিতা সংকলনবোৰত জীৱন-জগৎ

সুরতীর্থ

(সমাজসেবী সাংস্কৃতিক সংস্থা)

সোণালী জয়ন্তী বর্ষ উপলক্ষে প্রকাশিত

স্বর্ণাভ স্মৃতি



(১৯৭৫ - ২০২৫)

সম্পাদনা

ডঃ পৰিণীতা গোস্বামী

সূচীপত্র

প্রবন্ধ চ'ৰাত

আধুনিক অসমীয়া সংগীত

- অসমত আধুনিক গীত চর্চাৰ পটভূমি —ড° অনিল শইকীয়া ২৩
- নলিনীবালা দেবীৰ গীত আৰু কবিতা —ড° লক্ষহীৰা দাস ৪৪
- গীতিকবি পার্বতিপ্রসাদ বৰুৱা —মঞ্জুমালা দাস ৪৭
- সংস্কৃত কাব্যতত্ত্বৰ দৃষ্টিৰে ভূপেন হাজৰিকাৰ গীত —ৰঞ্জন বেজবৰুৱা ৪৯
- জয়ন্ত হাজৰিকাৰ কণ্ঠ, গীতৰ সুৰ আৰু গায়ন শৈলী —ড° সত্যেন্দ্র কুমাৰ চৌধুৰী ৫৩
- অসমীয়া সংগীতৰ সোণোৱালী যাত্রা —ড° মেঘনা চৌধুৰী ৬০
- জ্যোতি প্রসাদৰ নাটকৰ গীতত প্রকৃতি চিত্রণ —ড° স্বপ্নালী দাস ৬৩
- চালভাডৰ ডালিৰ এখন ছবি ভূপেন হাজৰিকাৰ দুটা গীত —ড° অসীম চুতীয়া ৬৬
- ড° ভূপেন হাজৰিকাৰ কেইটিমান গীতৰ বিষয়ে —ড° সংগীতা কাকতি ৬৮
- দীপালী বৰঠাকুৰৰ গীত ঃ এক নতুন চিন্তা —ড° নিভা ৰাণী ফুকন ৭১
- সত্তৰৰ দশকলৈ অসমীয়া আধুনিক গীতৰ চর্চা... —মৃদুলা দাস ৭৩

সংস্কৃতি লোকসংস্কৃতি পৰম্পৰা আৰু অধ্যাত্মবাদ

- Folksongs of the Karbi Community of North-East India : Some Observations –Dr. Akunthita Borthakur ৯৩
- ছুফী সংগীত —চফিউৰ ৰহমান শইকীয়া ৯৬
- ৰৰপেটা সত্রৰ দৌল —কবীন্দ্র নাথ দাস ৯৮
- নাটকীয় পৰিবেশ্য কলা সুকনান্নী ওজাপালি আৰু দেওধনী নৃত্যৰ আভাস —ড° তিলোত্তমা বৰুৱা ১০৪
- ওমলা গীত —মনহৰি বায়ন ১০৮
- দক্ষিণ কামৰূপৰ পাতিৰাভাৰ বগেজাৰী গীত —ড° পূৰবী কলিতা ১১৩
- অসমীয়া গীতি সাহিত্যত অলংকাৰৰ বৈভব —লিপিকা তালুকদাৰ ১১৯
- সংস্কৃতি ঃ ধাৰণাগত অৱলোকন —জিন্তু গীতার্থ ১২৭

অসমীয়া গীতি সাহিত্যত অলংকাৰৰ বৈভব

—লিপিকা তালুকদাৰ

লোকগীতৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ আধুনিক গীতলৈকে অসমীয়া গীতি-সাহিত্যই এক সুদীৰ্ঘ আৰু ঐতিহ্যপূৰ্ণ সংগীত আৰু সাহিত্য পৰম্পৰাৰ স্বাক্ষৰ বহন কৰিছে। চহা, অনাখৰী, কৃষিজীৱী লোকসকলে জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা আৰু অভিজ্ঞতাক সৰল হিচাপে লৈ ৰচনা কৰা গীতবোৰ আমাৰ নজহা-নপমা সম্পদ। মৌখিক পৰম্পৰাৰ মাজেৰে প্ৰবাহিত বিয়াগীত, বিহুগীত, হুচৰি, গৰখীয়া গীত, বনগীত, আইনাম, ধাইনাম, ইতিহাসকেন্দ্ৰিক গীত, বিবিধ মালিতা আদিৰ সুৰৰ মাধুৰ্যই আমাৰ হৃদয় আহ্লাদিত কৰি তোলে। অকল লোকগীত বুলিয়েই নহয়, সকলো গীতৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। সুৰৰ, কণ্ঠৰ এই মায়াময় আৱেশৰ কথা কবি দুৰ্গেশ্বৰ শৰ্মাই তেওঁৰ 'গীত আৰু ছবি' নামৰ কবিতাটিত লিখি থৈ গৈছে—

"সদায় চকুৰে দেখা গছ-পাতটিও
ছবিটিত ভাল হৈ পৰে
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে।

মিহি ভাব, মিহি গতি কৌশলী বিদ্যাৰ
নাই মৃত্যু অজৰ-অমৰ
য'তে পৰে ত'তে গজে, বিভিন্ন আকাৰ
ঠাই বুজি দীঘল-ডাঙৰ।"

সুৰৰ, কণ্ঠৰ এই যাদুকৰী প্ৰভাৱৰ কথা স্বীকাৰ কৰিও সমান্তৰালভাৱে অন্য এটা বিষয়ৰ অৱতাৰণা নিশ্চয় হয়। সেয়ে হ'ল— কবিৰ ভাষাত— 'মিহি ভাব, কথাৰ আমি ক'ব পাৰোঁ কাব্যিকতা বুলি। সচৰাচৰ কথা কোৱা মাতটোত সংগীত নাথাকে। সুৰকাৰৰ নিপুণ সুৰ আৰু গায়কৰ সাধনা জড়িত কণ্ঠতহে যিদৰে গীতে প্ৰাণ পায় ঠিক সেইদৰে কবি বা গীতিকাৰে মনৰ ভাবক নানা কৌশল অৱলম্বন কৰি এক ধৰণৰ সুকুমাৰতালৈ উন্নীত কৰে। ভাবৰ, কথাৰ এই সৌকুমৰ্যকে কোৱা হয় কাব্যিকতা বুলি। এনে কাব্যিকতা আনিবলৈ কবিয়ে বা গীতিকাৰে কবিতা, গীতত প্ৰতীক, ব্যঞ্জনা, চিত্ৰকল্প, অলংকাৰ, ছন্দ আদি নানান কাব্যিক উপাদানৰ সুষম সমন্বয় ঘটায়। এনে কাব্যিকতাৰে পূৰ্ণ গীতবোৰো হৈ পৰে একো একোটা মনোৰম কবিতা। উদাহৰণস্বৰূপে মাধৱদেৱৰ *'আলো মঞি কি কহব দুখ'* ৰৱগীতটি কবিতাৰ সুকোমলতাৰে স্নিগ্ধ এটি সুন্দৰ শোককবিতা বুলি মহেন্দ্ৰ বৰাই মন্তব্য কৰিছে।

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া লোকগীতবোৰক লোককবিতা বুলিয়েই অভিহিত কৰিছে। 'অসমৰ লোককবিতা' তেওঁৰ এখন উল্লেখযোগ্য গ্ৰন্থ। এই নিবন্ধত কাব্যিক সৌন্দৰ্যৰ সৃষ্টি কৰিবলৈ অসমীয়া গীতত অলংকাৰৰ প্ৰয়োগ কিদৰে কৰা হৈছে সেই বিষয়ে কিছু কথা ছালি-জাৰি চোৱাৰ প্ৰয়াস কৰিছোঁ।

উক্তি বৈচিত্ৰ্য অৰ্থাৎ এটা ভাবকে বিভিন্ন প্ৰকাৰে প্ৰকাশ কৰাটোৱে হ'ল অলংকাৰ সৃষ্টিৰ মূল কথা। গাভৰুগৰাকী ধুনীয়া— এই ভাবটো প্ৰকাশ কৰিবলৈ তেওঁৰ মুখখন পদুমৰ দৰে, পদুম নে তেওঁৰ মুখ মুখেই পদুম, মুখপদ্ম আদি বাক্য লিখিব পাৰি। এয়ে উক্তি বৈচিত্ৰ্য। এই উক্তি বৈচিত্ৰ্যই কওঁতা বা লিখোঁতাৰ মনলৈ এটা পৰ্যাপ্তিৰ ভাবো আনে। পৰ্যাপ্তি মানে হ'ল যিমান ক'ব লাগে সিমানখিনি কোৱাটো। ই কওঁতা বা লিখোঁতাৰ মনলৈ সন্তুষ্টিৰ ভাবো আনে। তাকে অলম্

ISSN 2279-0683

প্রকাশ

ফেব্রুৱাৰী, ২০২৬



নাট্য সাহিত্য

প্রকাশ

তৃতীয় পর্ব ।।
১৬৫সংখ্যক প্রকাশন ।।
মাঘ-ফাগুন, ১৯৪৭ শক।।
ফেব্রুৱাৰী, ২০২৬

পঞ্জীয়ন নং ঃ ২৯৯৮২/৭৫
ISSN 2279-0683

বিষয় সূচী

সম্পাদকীয়।।৩ ।।



আত্মজীৱনী

গজালিৰ আনন্দগান আৰু বিষাদস্নান
ড° ধ্রুৱজ্যোতি বৰা।।৬২।।

প্রবন্ধ

প্রাত্যহিকতাৰ পাঠ ঃ ডিমাছাসকলৰ নৱজাতক সম্পর্কিত ৰীতি আৰু লোকসাহিত্য
জিন্তু ঠাকুৰীয়া।।৭৭।।
লেখিকাৰ সাহিত্য, প্রীতি বৰুৱা আৰু 'সংগৃহীত প্রবন্ধ'
ড° পৰী হিলৈদাৰী।।৮৩।।

নাট্যসাহিত্য

নাটকৰ ধাৰাবাহিকতা আৰু সাম্প্রতিক অসমীয়া নাটক
ড° পোনা মহন্ত।।৪।।
নাট্যপাঠৰ উত্তৰণ ঃ ফিজিকেল থিয়েটাৰ আৰু প'ষ্ট-ড্রামাটিক নাট্যচিন্তা
ড° মৃণাল জ্যোতি গোস্বামী।।৭।।
শিপান্বেষী নাট্যযাত্রাৰ স্বাক্ষৰ হনুমান সাগৰ বান্ধা চাউ
লিপিকা তালুকদাৰ।।১৩।।
দেখহ, শুনহ, নিৰন্তৰে হৰি বোল
ড° ৰত্নোত্তমা দাস।।১৯।।
শংকৰদেৱৰ নাট্য-ভাবনা ঃ পাঠ আৰু পৰিৱেশন
ড° মিলন নেওগ।।২৩।।
অসমীয়া নাট্যসাহিত্য ঃ পৰম্পৰা আৰু বিৱর্তন
ড° সঞ্জীৱ কুমাৰ শর্মা।।২৭।।
নাট্যপাঠত সংলাপ আৰু প্রত্যাহ্বান ঃ এৰিষ্টটলীয় চিন্তাৰ পুনৰীক্ষণ
ড° সিদ্ধার্থ গোস্বামী।।২৯।।
মানৱৰ সৌন্দর্য-সৃষ্টিমূলক বিপ্লৱী মনীষাৰ প্রতীক 'কাৰেঙৰ লিগিৰী'
ড° অসীম চুতীয়া।।৩৮।।
আধুনিক অসমীয়া নাটকত লোক-পৰিৱেশ্য কলাৰ সম্পৰীক্ষা
ড° পূৰবী কলিতা।।৪২।।

সম্পাদক ▶ মিহিৰ দেউৰী
সহযোগী সম্পাদক ▶ গীতালি বৰা
সহকাৰী সম্পাদক ▶ অর্চনা শইকীয়া

প্রকাশক ▶ প্রমোদ কলিতা,
সচিব, অসম প্রকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১
মুদ্রণ ▶ অৰোৰা ফাইন আর্টছ, বামুণীমৈদাম,
গুৱাহাটী-২১
বেটুপাত ▶ সঞ্জীৱ বৰা
মূল্য ▶ ৬০.০০ টকা মাত্র

ফটো/চিত্র ইণ্টাৰনেটৰ পৰা সংগৃহীত

Publisher :
Pramod Kalita,
Secretary, Publication Board Assam,
Bamunimaidam, Guwahati-21

নাট্যকাৰে মূলতঃ যৌতুকৰ ভয়াৱহতা কাহিনীৰ মাজেৰে দেখুৱাইছে যদিও সামগ্ৰিকভাৱে নাৰী নির্যাতনৰ বিৰুদ্ধে জাগৰণ সৃষ্টিৰ প্ৰয়াস কৰিছে সূত্ৰধাৰৰ উক্তিবোৰৰ কিয়দংশৰ মাজেৰে। গতিকে, বিষয়বস্তুৰ সংবেদনশীলতাই নাটকখনৰ গাম্ভীর্য আৰু প্ৰাসংগিকতা যিদৰে বৃদ্ধি কৰিছে, সেইদৰে লোকনাটৰ উপাদানৰ সহায়ত কৰা উপস্থাপনশৈলীয়ে নাটকখনক তাৎপর্যপূর্ণ কৰি তুলিছে। ...

●●●

শিপান্বেষী নাট্যযাত্ৰাৰ স্বাক্ষৰ

হনুমান সাগৰ বান্ধা চাউ

লিপিকা তালুকদাৰ

হনুমান সাগৰ বান্ধা চাউ
সীতাৰ নিমিত্তে আমি যুদ্ধ দিবা যাউ।

অহংকাৰী সাগৰে কয় নেদু এৰি বাট
ৰাৱণ দেশত সীতা থাকিব নির্ঘাত
ঢৌ আহে ঢৌ যায় যেন খাউ খাউ।

হনুমানে হুংকাৰিয়া বুলিলা বচন
বান্দৰৰ শকতিয়ে জিনিব ভুবন
একগোট বান্দৰসেনা নিপিছলে পাৰ।

আপোনাৰ গর্বতে মৰে অহংকাৰী বীৰ
বান্দৰ সেনা গতি কৰে প্ৰতিজ্ঞা যে স্থিৰ
সাগৰ বান্ধি অসুৰ নাশি আইৰ কাষে যাউ।

অসমৰ ৰৰপেটা অঞ্চলত বিশেষভাৱে প্ৰচলিত ওপৰুদ্ধৃত লোকগীতটিৰ প্ৰথম শাৰীটোৰে নামকৰণ কৰি নাট্যকাৰ প্ৰমোদ দাসে ৰচনা কৰা নাটকখনে অসমীয়া নাট্যসাহিত্য আৰু পৰিৱেশনৰ ধাৰাত কিছু নতুনত্বৰ সূচনা কৰিছিল। এই নাটকখন ১৯৮৭ চনত ৰচনা কৰি মঞ্চায়ন কৰা বুলি নাটকখনৰ পাতনিত (এপ্ৰিল, ২০২৪ৰ সংশোধিত আৰু পৰিবর্ধিত তৃতীয় সংস্কৰণ; অসম বুক ট্ৰাষ্ট) উল্লেখ কৰিছে ঃ

> 'সেই সময়ত ১৯৮৭ চনত ৰৰপেটাত লেখিকা সমাৰোহ সমিতিৰ দ্বাদশ বার্ষিক অধিৱেশনৰ বিশিষ্ট মহিলা কেইগৰাকীমানে (শ্ৰীযুতা ভানু ৰায় চৌধুৰী, নিৰুপমা মিশ্ৰ, বিমলা ৰায় চৌধুৰী) নাৰী নির্যাতনৰ ওপৰত ৰেখাপাত কৰি এখন মহিলাপ্ৰধান নাটক ৰচনা কৰিবলৈ কোৱাত 'হনুমান সাগৰ বান্ধা চাউ' নাট লিখি উলিয়াই অধিৱেশনৰ মুকলি মঞ্চত প্ৰথম মঞ্চায়ন কৰা হয়।'

এই নাটখন ১৯৮৭ চনত ৰচনা কৰা হ'লেও গ্ৰন্থাকাৰে প্ৰকাশ পায় ১৯৯৫ চনৰ এপ্ৰিল মাহত। অহা ২০২৭ বর্ষত নাটখন ৰচনাৰ চল্লিছ বছৰ সম্পূর্ণ হ'ব। সময়ৰ কথাখিনি এই বাবেই উল্লেখ কৰা হৈছে যে



REFRAMING WOMANHOOD

DISCOURSES, IDENTITIES AND RESISTANCE

Edited by
KABITA BHUYAN
JINI RANI BORO

Reframing Womanhood: Discourses, Identities and Resistance is a multidisciplinary edited volume that explores women's identities, struggles, empowerment, and resistance in contemporary society. The book discusses themes such as motherhood, reproductive rights, unpaid care work, digital feminism, political participation, education, and marginalized women's experiences. Through literary, social, economic, and historical perspectives, the articles challenge patriarchal norms and highlight women's agency and resilience. Special emphasis is given to voices from Assam and Northeast India. The volume promotes gender equality, inclusive knowledge production, and feminist scholarship, making it a valuable academic resource for students, researchers, and scholars



Kabita Bhuyan, Secretary, Women's Studies Cell, is an Assistant professor in the Department of Economics, R.G.Baruah College, Guwahati, Assam.



Jini Rani Boro, Assistant Secretary, Women's Studies Cell, is an Assistant Professor in the Department of History, R.G.Baruah College, Guwahati, Assam.

Price : ₹ 1395.00
ISBN: 978-93-47586-30-9
9 789347 586309

GLOBAL PUBLISHING HOUSE (INDIA)
• Bhubaneswar • Guwahati • Hyderabad
• New Delhi • Visakhapatnam

উত্তৰকালীন অসমীয়া উপন্যাস আৰু নাৰীৰ অৱস্থান

ড° লিপিকা তালুকদাৰ*

১। সংক্ষিপ্ত সাৰ ঃ

অসমীয়া ভাষাৰ প্ৰথমখন আলোচনী 'অৰুণোদই'ৰ পাততেই অসমীয়া ভাষাত উপন্যাস ৰচনাৰ ক্ষেত্ৰ এখন নিৰ্মাণ কৰা হৈছিল। এইখন আলোচনীত উপন্যাসধৰ্মী ৰচনাৰ মাজেৰেই অসমীয়া উপন্যাস ৰচনাৰ প্ৰস্তুতি চলিছিল। পদ্মনাথ গোহাঞিৰবৰুৱাই ৰচনা কৰা 'ভানুমতী' (১৮৯০-৯১) হ'ল অসমীয়া সাহিত্যৰ প্ৰথমখন উপন্যাস। তেতিয়াৰে পৰা ১৯৩০ চনলৈ অৰ্থাৎ ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' নামৰ উপন্যাসখন প্ৰকাশ হোৱালৈকে এইছোৱা সময়ক উদ্ভকালীন সময় হিচাপে লৈ সেই সময়ত উপন্যাসবোৰত সৃষ্ট নাৰী চৰিত্ৰবোৰৰ অৱস্থিতি বিশ্লেষণ কৰাৰ উপৰিও উপন্যাসৰ সৃষ্টি প্ৰক্ৰিয়াত নাৰী কিদৰে সম্পৃক্ত হৈ আছে সেয়া সমাজতাত্ত্বিক দৃষ্টিভংগীৰে বিচাৰ কৰাৰ প্ৰয়াস এই নিবন্ধটিত কৰা হ'ব।

২। অসমীয়া উপন্যাসৰ উদ্ভৱ ঃ

ড° নাথান ব্ৰাউনে ১৮৪৮ চনৰ পৰা 'অৰুণোদই' আলোচনীত জন বনিয়নৰ 'Pilgrim's Progress' উপন্যাসখন 'জাত্ৰিকৰ জাত্ৰা' বুলি বুলি অসমীয়ালৈ অনুবাদ কৰি খণ্ড খণ্ডকৈ প্ৰকাশ কৰিছিল। এই অনূদিত উপন্যাসখনৰ জৰিয়তেই অসমীয়া ভাষাত উপন্যাসৰ বীজ ৰোপণৰ বাবে ক্ষেত্ৰ প্ৰস্তুতকৰণৰ কাম আৰম্ভ হোৱা বুলি ক'ব পাৰি। 'জাত্ৰিকৰ জাত্ৰা' গ্ৰন্থাকাৰে প্ৰকাশ হৈছিল ১৮৫৭ চনত। তাৰে বিছ বছৰ পাছত অৰ্থাৎ ১৮৭৭ চনত এ. কে. গাৰ্ণি চাহাবৰ দ্বাৰা ৰচিত 'কামিনীকান্ত' প্ৰকাশ পায়। কামিনীকান্ত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা হৈছিল বাবে ইয়াত কাহিনীৰ

---

*সহযোগী অধ্যাপক, অসমীয়া বিভাগ, ৰাধাগোৰিন্দ বৰুৱা মহাবিদ্যালয়